# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 30-03-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

\- - - - - - - - - - - - - -

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি কেইদিনমানৰ পাছতেই ভাৰতৰ কেইবাখনো ৰাজ্যত আৰম্ভ হ'বলগীয়া নৱবৰ্ষৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। দেশ-বিদেশৰ শ্ৰোতাৰ আগত মনৰ ভাৱ ব্যক্ত কৰি শ্ৰীমোদীয়ে কয় যে দেশৰ বিভিন্ন ৰাজ্যত বিশেষকৈ কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত উগাডী উৎসৱ পালন কৰা হৈছে। আজি মহাৰাষ্ট্ৰত পালন কৰা গুড়ী পৰোৱা উৎসৱৰ কথা উল্লেখ কৰি তেওঁ কয়, যে বৈচিত্ৰতাৰে ভৰা আমাৰ দেশত কেইদিনমানৰ পাছতে অসমত ৰঙালী বিহু, পশ্চিমবংগত পহিলা বৈশাখ আৰু কাশ্মীৰত নৱৰেহ উৎসৱ পালন কৰা হ'ব। এনেকৈয়ে অহা ১৩ এপ্ৰিলৰ পৰা ১৫ এপ্ৰিললৈ দেশৰ সকলো ঠাই উৎসৱমুখৰ হৈ পৰিব। সমাগত ঈদ উৎসৱৰ বিষয়ে উল্লেখ কৰি তেওঁ এই উৎসৱসমূহৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰে।

আজিৰ মন কী বাত অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে শিকিবৰ বাবে বৰ্তমান বহু নতুন নতুন উপায় ওলাইছে। কোনোবাই টেকনলজি কেম্পৰ আয়োজন কৰিছে য'ত ছাত্ৰ-ছাত্ৰীয়ে এপ বনাবলৈ শিকাৰ লগতে অ'পেন চোৰ্চ ছফটৱেৰ সম্পৰ্কেও জানিব পাৰিব। সেইদৰে গৰম বন্ধৰ সসময়ছোৱাত পৰিবেশ, নাটক, নেতৃত্ব আদি বিভিন্ন বিষয়ৰ প্ৰশিক্ষণৰো আয়োজন কৰা হয়। কোনো সংগঠন, বিদ্যালয় বা সামাজিক সংস্থাই যদি এনে কাৰ্যৰ আয়োজন কৰিছে তেনেহলে সেই কথা #myholidays ৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুৰোধ জনাইছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বৃহমপুৰ সমষ্টিত কেইবাটাও প্ৰকল্পৰ উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। কামপুৰ ক্ৰীড়া সন্থাৰ খেল পথাৰত দিনৰ ২ বজাত আয়োজিত ৰাজহুৱা সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী পীযূষ হাজৰিকা, সাংসদ কামাখ্যা প্ৰসাত তাছা আৰু বিধায়ক জিতু গোস্বামীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে কপিলী নৈৰ ওপৰৰ পুৰণি দলঙত ব্লাকিং জ'ন আৰু কামপুৰ ৰে'লৰে উৰণ সেতু ৰাইজৰ বাবে মুকলি কৰিব। ইয়াৰ পাছত তেওঁ কামপুৰ, চামগুৰি, কচুৱা, খাটোৱাল আৰু যমুনামুখ আৰক্ষী চকীৰ বাবে নৱ আৱণ্টিত গৃহৰ আধাৰশিলা স্থাপন কৰিব। আজিৰ দিনটোত মুখ্যমন্ত্ৰীগৰাকীয়ে সমষ্টিটোত মুঠ ৮৩ কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooo

যোৰহাট চিকিৎসা মহাবিদ্যালয় সমীপত নিৰ্মিত ৰে'লৰে উৰন সেতুৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উৰণ সেতুখন ৰাইজৰ বাবে মুকলি কৰিব। উৰণ সেতুখন উদ্বোধন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে যোৰহাট মিছন হাস্পতালৰ সমীপত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰাৰ কথা। সেই উদ্দেশ্য কালি যোৰহাট জিলা আয়ুক্ত জয় শিৱানীয়ে সেতুখন পৰিদৰ্শন কৰি অন্তিম পৰ্যায়ৰ কামকাজ সন্দৰ্ভত বুজ লোৱাৰ লগতে সভাস্থলী পৰিদৰ্শন কৰে।

ooooo

শ্ৰীভূমি আৰক্ষীয়ে কালি ভাৰতত অবৈধভাৱে প্ৰৱেশৰ চেষ্টা চলোৱা চাৰিজন বাংলাদেশী নাগৰিকক আটক কৰি পুনৰ ওভতাই পঠিয়াই। এই লোক কেইজনক মহম্মদ শ্বাৱন, মহম্মদ এছ এম পলাছ, আব্দাছ মল্লিক আৰু ৰুকছানা বেগম বুলি চিনাক্ত কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই কথা প্ৰকাশ কৰিছে। যোৱা বছৰ চুবুৰীয়া ৰাষ্ট্ৰখনত অশান্ত পৰিস্থিতি সৃষ্টি হোৱাৰ পাছৰে পৰা অসমত কমেও ৩২০ জন অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

ঢকুৱাখনাৰ নাৰায়ণপুৰ চাপৰিত প্ৰসাদ খাই ৫০ জনৰো অধিক লোক শৌচ, বমি, পেটৰ বিষ, মূৰৰ বিষত আক্ৰান্ত হৈছে। অসুস্থ লোকসকলক ঢকুৱাখনা মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। বৰ্তমানেও চিকিৎসালয়ত ৪০ জনৰো অধিক লোক চিকিৎসাধীন হৈ আছে। গুৰুতৰভাৱে অসুস্থ সকলক লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাতলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ অন্যতম প্ৰধান নগৰ-ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। এই সম্পৰ্কত ডিব্ৰুগড়ৰ নাগৰিকসকলৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈৰ সহযোগত অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয় খেলপথাৰত কালি অনুষ্ঠিত চতুৰ্থ বাৰ্ষিক নিলয় দত্ত আন্তঃবিশ্ববিদ্যালয় টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আই আই টি গুৱাহাটীয়ে বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। কালি অনুষ্ঠিত চূড়ান্ত খেলত আই আই টি গুৱাহাটীয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক পৰাজিত কৰি এই খিতাপ অৰ্জন কৰে। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ তত্বাৱধানত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সমাপ্ত